**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-NOV-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

——————————————

বিহাৰ বিধানসভা নিৰ্বাচনত শাসনাধিষ্ঠিত এন ডি এ মৰ্চা বিপুল সংখ্যাগৰিষ্ঠতাৰে পুনৰবাৰ শাসনলৈ আহিছে। এন ডি এই মুঠ ২৪৩ খন আসনৰ ভিতৰত ২০২ খনতে জয়লাভ কৰিছে। আটাইকেইটা সমষ্টিৰ ফলাফল যোৱানিশা ঘোষণা কৰা হয়। ৰাজ্যখনত চৰকাৰ গঠনৰ বাবে যিকোনো এটা দল বা মিত্ৰজোঁটক ১২২ খন আসনৰ প্ৰয়োজন আছিল।

বিজেপিয়ে ৮৯ খন আসনত জয়লাভ কৰিছে। এন ডি এৰ সহযোগী দল JDUয়ে ৮৫খন আসনত জয়লাভ কৰাৰ লগতে লোক জনশক্তি পাৰ্টীয়ে ১৯ খন আসন লাভ কৰে। হিন্দুস্তানী আৱামী মৰ্চাই পাঁচ খন আৰু ৰাষ্ট্ৰীয় লোক মৰ্চাই চাৰি খন আসনত জয়লাভ কৰে। এন ডি এৰ হৈ জয়লাভ কৰা অন্যতম নেতাসকলৰ ভিতৰত উপ-মুখ্যমন্ত্ৰীদ্বয় সম্ৰাট চৌধৰী আৰু বিজয় কুমাৰ সিন্‌হা, ৰাজ্যিক মন্ত্ৰী প্ৰেম কুমাৰ, মহেশ্বৰ হাজাৰী আৰু সঞ্জয় ছাৰাওগি তথা বিজেপিৰ মৈথিলী ঠাকুৰ আছে।

আৰ জে ডি নেতৃত্বাধীন মহাজোঁটবন্ধনে কেৱল ৩৫ খন আসন লাভ কৰিবলৈ সমৰ্থ হয়। আৰ জে ডিয়ে ২৫ খন আসন লাভ কৰাৰ বিপৰীতে কংগ্ৰেছে ৬ খন, চি পি আই (এম এল) লিবাৰেশ্যনে দুখন, আৰু চি পি আই (এম) আৰু আই আই পিয়ে এখনকৈ আসন লাভ কৰে। এ আই এম আই এমে পাঁচখন আসন লাভ কৰাৰ লগতে বহুজন সমাজপাৰ্টীয়ে মাত্ৰ এখন আসন লাভ কৰে। প্ৰথমবাৰৰ বাবে নিৰ্বাচনত অৱতীৰ্ণ হোৱা প্ৰশান্ত কিশোৰৰ জন সূৰয পাৰ্টীয়ে এখনো আসন লাভ কৰিবলৈ সমৰ্থ নহ'ল।

জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিহাৰ বিধানসভা নিৰ্বাচনত জয়লাভ, বিকাশৰ ৰাজনীতিৰ বাবে জনাদেশ  বুলি উল্লেখ কৰিছে। নতুন দিল্লীৰ বিজেপিৰ মুখ্য কাৰ্যালয়ত কালি সন্ধিয়া দলৰ কৰ্মকৰ্তাসকলক উদ্দেশ্যি দিয়া ভাষণত শ্ৰী মোদীয়ে এয়া, আৰ জে ডিৰ জংগলৰাজৰ সন্মুখীন হোৱা বিহাৰৰ মহিলাসকলৰ জয় বুলি প্ৰকাশ কৰে। তেওঁ কয়, যে এয়া হৈছে গণতন্ত্ৰৰ জয়, যিয়ে দেশৰ নিৰ্বাচন প্ৰক্ৰিয়াৰ ওপৰত আস্থা সুদৃঢ় কৰে।

বাইট

বিহাৰৰ এই জয়ে কেৰালা, তামিলনাডু, পডুচেৰী, অসম আৰু পশ্চিমবংগৰ বিজেপি কৰ্মকৰ্তাসকলক উৎসাহিত কৰিব বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০

মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই কালি ধেমাজি জিলাৰ অকাজানত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ নিৰ্বাচিত হিতাধিকাৰীক চেক প্ৰদান কৰে। এই আঁচনিৰ অধীনত চিচিবৰগাওঁ বিধানসভা সমষ্টিত ৩ হেজাৰ ৩৭০ টা আত্মসহায়ক গোটৰ ৩৪ হাজাৰ ৪৪৮ গৰাকী মহিলাক ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰা হয়। মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ লক্ষ্য হিচাপে কৃষি, পশুপালন, হস্ততাঁত আৰু হস্তশিল্পকে ধৰি আন বিভিন্ন ক্ষেত্ৰত মহিলা উদ্যোগীৰ বিকাশৰ জৰিয়তে জীৱিকাৰ বিকল্প সম্ভাৱনাৰ প্ৰয়াস কৰা হৈছে। এই অনুষ্ঠানত সাংসদ প্ৰদান বৰুৱা, মন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু প্ৰশান্ত ফুকনো উপস্থিত থাকে।

০০০০০০

ডিব্ৰুগড় জিলাৰ চাবুৱা লাহোৱাল বিধানসভা সমষ্টিৰ অন্তৰ্গত চাচাজি উচ্চ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তী সমাৰোহ উপলক্ষে কালি বিদ্যালয়খনত চিত্ৰাংকণ আৰু কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। বিদ্যালয়খনৰ প্ৰধান শিক্ষক শিও কুমাৰ শ্বাহে বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰে। বিদ্যালয়খনৰ শিক্ষক কিশোৰ গগৈয়ে ৰচনা কৰা আৰু বহু কেইগৰাকী শিল্পীয়ে কণ্ঠদান কৰা বিদ্যালয়ৰ শীৰ্ষ গীতটিও অনুষ্ঠানত পৰিৱেশন কৰা হয়।

০০০০০০

বিশিষ্ট ভাস্কৰ্য শিল্পী বিৰেন সিংহক অধ্যাপক নগেন শইকীয়া সাৰস্বত ন্যাস পৰিষদৰ সৰ্বোচ্চ সন্মান সাৰস্বত সন্মান ২০২৪ প্ৰদান কৰা হয়। প্ৰথিতযশা সাহিত্যিক ড০ নগেন শইকীয়াৰ জীৱন ফুকন নগৰত থকা বাসগৃহ আশ্ৰয়ত কালি অনুষ্ঠিত এটা বিশেষ অনুষ্ঠানত নগেন শইকীয়াৰ উপস্থিতিত ভাস্কৰ্য শিল্পীগৰাকীক এই সন্মান প্ৰদান কৰা হয়। ন্যাসৰ সভাপতি তথা ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড০ কন্দৰ্প কুমাৰ ডেকাই শ্ৰী সিংহক এই বঁটাতো প্ৰদান কৰে। এই একেটা অনুষ্ঠানতে ড০ নগেন শইকীয়াৰ নৱতম গ্ৰন্থ অতীতেই মোৰ ঘৰ উন্মোচন কৰে সাহিত্যিক ড০ কৰবী ডেকা হাজৰিকাই।

০০০০০০

সমাপ্ত